জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮১৮/২০২০**

# বিশিষ্ট সমাজকৰ্মী কুশল চন্দ্ৰ মেচৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ শোক প্ৰকাশ

**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** মেচ-কছাৰী জাতীয় পৰিষদৰ উপদেষ্টা তথা প্ৰাক্তন সভাপতি, শিৱসাগৰ জনজাতি কৃষ্টি সংঘৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী কুশল চন্দ্ৰ মেচৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত কুশল চন্দ্ৰ মেচে মেচ-কছাৰী জনগোষ্ঠীৰ লগতে আমাৰ সমাজ জীৱনৰ উত্তৰণৰ বাবে যি অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মেচ-কছাৰী জনগোষ্ঠীৰ আৰ্থ-সামাজিক, কলা-সংস্কৃতিৰ বিকাশ সাধনৰ বাবে তেখেতে যথেষ্ট অৱদান আগবঢ়াই গৈছে। মেচ জাতীয় পৰিষদক অধিক গতিশীল কৰাৰ বাবে তেওঁ সদায়ে দৃঢ়তাৰে প্ৰয়াস চলাই গৈছিল। শিৱসাগৰ জনজাতি কৃষ্টি সংঘৰ সভাপতি হিচাপে সাংস্কৃতিক জীৱনধাৰা অধিক উজ্জীৱিত কৰাৰ বাবেও তেওঁ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ এগৰাকী বিষয়া হিচাপেও কৰ্মস্থলীত বিশেষ দক্ষতা দেখুৱাই থৈ যোৱা এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সমাজকৰ্মী কুশল চন্দ্ৰ মেচৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**৯/১২/২০২০**